প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## পিএমএৱাই-জিৰ হিতাধিকাৰীলৈ বিধিসন্মতভাৱে প্ৰাপ্য মজুৰি প্ৰদানত অনিয়ম

# ঘিলামৰা উন্নয়ন খণ্ডৰ বিডিঅ'ক নিলম্বন

**গুৱাহাটী ১৯ মে'** ঃ আজি লখিমপুৰ জিলা পৰিষদৰ ঘিলামৰা উন্নয়ন খণ্ডৰ ভাৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া দিপুল চমুৱাক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ হিতাধিকাৰীয়ে নিজৰ ঘৰ নিৰ্মাণ কাৰ্যত শ্ৰমদান কৰি এমজিএনৰেগাৰ অধীনত বিধি অনুসৰি পাবলগীয়া মজুৰি প্ৰদানত খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে খেলি-মেলি কৰা বুলি অভিযোগ উঠিছিল। ফলত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে বিষয়টো সন্দৰ্ভত তদন্ত কৰিবলৈ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক নিৰ্দেশ দিয়ে। এই তদন্তত ব্যাপক বিত্তীয় খেলি-মেলিৰ কথা পোহৰলৈ অহাত লখিমপুৰ জিলাৰ মুখ্য কাৰ্যবাহী বিষয়াই বিডিঅ'গৰাকীৰ বিৰুদ্ধে ঘিলামাৰা আৰক্ষী থানাত এজেহাৰ দিয়াৰ লগতে বিভাগত এই তদন্তৰ প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনৰ ভিত্তিত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই বিষয়াগৰাকীৰ নিলম্বনৰ নিৰ্দেশ জাৰি কৰে।

*এম আৰ ডি/১৯-০৫-২০২০*